# মহিলা সাংবাদিকৰ দৃষ্টিভংগীত অসম আন্দোলন
# (নিৰুপমা বৰগোহাঞিঃ আৰু সবিতা গোস্বামীৰ আত্মজীৱনীৰ আধাৰত)

*পঞ্চানন হাজৰিকা*

**সাৰাংশ**

স্বৰাজোত্তৰ কালৰ অসমৰ সমাজ - ৰাজনৈতিক ইতিহাসত অসম আন্দোলন ( ১৯৭৯-১৯৮৫) এক গুৰুত্বপূৰ্ণ পৰিঘটনা । সমগ্ৰ অসম জুৰি প্ৰৱল গণজাগৰণ সৃষ্টি কৰা এই আন্দোলন স্বৰাজোত্তৰ ভাৰতৰ ইতিহাসৰো অন্যতম বৃহত্তম গণতান্ত্ৰিক আন্দোলন। অসমীয়া জাতিৰ অস্তিত্ব ৰক্ষাৰ আন্দোলন হিচাপে বিখ্যাত হৈ পৰা এই গণজাগৰণত ছাত্ৰ-যুৱক- নাৰী-পুৰুষ- অধিকাংশ জনগণই স্বতঃস্ফূৰ্ত যোগদান কৰিছিল। এই আন্দোলনৰ উদ্দেশ্য, পন্থা, পৰিসৰ, ফলাফল আৰু অসমৰ সমাজ জীৱনত পৰা ইয়াৰ সূদুৰপ্ৰসাৰী প্ৰভাৱ সম্পৰ্কে বহু লেখক, সাংবাদিক, ৰাজনৈতিক নেতা আৰু সমাজ বিজ্ঞানীয়ে আলোকপাত কৰিছে। আশীৰ দশকৰ সামাজিক প্ৰত্যাহ্বান আৰু ৰাজনৈতিক জটিলতাৰ মাজত সাংবাদিকতা কৰা মহিলা সাংবাদিকসকলৰ দৃষ্টিভংগীত অসম আন্দোলন আচলতে কি আছিল? অসম আন্দোলন, পুৰুষ নেতৃত্ব, আন্দোলনত মহিলাৰ অংশগ্ৰহণ, আৰু আন্দোলনকালীন সময়ত ভুক্তভোগীসকলৰ অৱস্থা সম্পৰ্কে অসমৰ মহিলা সাংবাদিকে কি কৈ গৈছে? নিৰুপমা বৰগোহাঞিঃ আৰু সবিতা গোস্বামী আছিল এই সময়ৰ সক্ৰিয় সাংবাদিক। এই দুয়োগৰাকী সাংবাদিক তথা লেখিকাৰ আত্মজীৱনীৰ আধাৰত অসম আন্দোলনৰ এক মূল্যায়ন আগবঢ়াবলৈ এই আলোচনা পত্ৰত যত্ন কৰা হৈছে।

**সূচক শব্দ ঃ** অসম আন্দোলন, আত্মজীৱনী, মহিলা সাংবাদিক।

১৯৭৯-৮৫ চনলৈকে চলা ছবছৰীয়া অসম আন্দোলন আছিল অসমৰ সমাজ জীৱনত এক ঐতিহাসিক পৰিঘটনা । অসমীয়াৰ অস্তিত্ব ৰক্ষাৰ আন্দোলন বা বিদেশী খেদাৰ আন্দোলন হিচাপে জনপ্ৰিয় হৈ উঠা এই বিৰল জনজাগৰণৰ মাজেৰে অসমীয়া জাতিয়ে বিচিত্ৰ কিছু জাতীয় অভিজ্ঞতাৰ মুখামুখি হৈছিল। এফালৰ পৰা এই আন্দোলনে অসমীয়া জাতীয় সত্তাক একত্ৰিত কৰাত সফল হৈছিল, আনফালৰ পৰা নেতৃত্বৰ দুৰ্বলতা আৰু স্পষ্ট কৰ্মসূচীৰ অভাৱে এই সংগ্ৰামক ক্ষয়ংকৰী কৰি তুলিছিল। অসমীয়া সমাজ গাঁঠনিৰ একতা, সহিষ্ণুতা, সমন্বয়ৰ দৰে প্ৰমূল্যবোৰত এই আন্দোলনে ভাঙোন আনিছিল। যদিও এই আন্দোলন মূলতঃ আৰম্ভ হৈছিল জাতিটোৰ ঐতিহাসিক আৰু ৰাজনৈতিক পৰিচয় ৰক্ষা কৰাৰ স্বাৰ্থতেই ,



কিন্তু পৰৱৰ্তী সময়ত এই আন্দোলনে উগ্ৰ জাতীয়তাবাদী, সাম্প্ৰদায়িক আৰু গোষ্ঠীবিদ্বেষী ৰূপ লোৱাৰ অভিযোগ উঠিছিল।

অসম আন্দোলনে সৃষ্টি কৰা নৈৰাজ্য আৰু অস্থিৰতাৰ প্ৰসংগত হীৰেন গোহাঁইয়ে কৈছে- “ যুক্তিতকৈ আৱেগৰ ওপৰত বেছি আস্থা ৰখা বাবে অসম আন্দোলনে প্ৰায়ে নৃশংস ঘটনাৰ জন্ম দিছে, সংখ্যালঘু সকলৰ বিৰুদ্ধে হিংসাৰ উদগ্ৰীৰণ সি বন্ধ কৰিব পৰা নাই। তাৰ ফলত অসমীয়া জাতিৰ ঐক্য বিপন্ন হৈছে , বিভেদকামী শক্তিবোৰ প্ৰকাশ হৈছে , সুস্থ গণতান্ত্ৰিক চিন্তাধাৰা অন্তৰ্হিত হৈছে ।” (গোহাঁই, ‘মই আন্দোলনৰ মূল্যায়ন সলনি কৰিছো,’ *নিবেদন*, পৃষ্ঠা ঃ ৮৮ )।

অসম আন্দোলনৰ বিচাৰ বিশ্লেষণ আৰু নিৰ্মোহ আলোচনাৰ বাবে সেই সময়ৰ প্ৰত্যক্ষ অংশীদাৰ আৰু আন্দোলনৰ নেতৃত্ব কৰ্মী আৰু সমৰ্থকৰ মন্তব্য আৰু বিশেষভাৱে সাংবাদিক সকলৰ সংবাদ বিৱৰণ আৰু অভিজ্ঞতাৰ ওপৰত নিৰ্ভৰ কৰিব লগা হয়। এই আন্দোলন মুলতঃ পুৰুষ নেতৃত্বৰে পৰিচালিত আৰু নেতৃত্বত আছিল বৰ্ণ হিন্দু প্ৰাধান্য। এই আন্দোলনত মহিলাৰ অংশগ্ৰহণ কেনেকুৱা আছিল? এই আন্দোলনে সৃষ্টি কৰা বিবাদ আৰু সংঘৰ্ষকালীন সময়ছোৱাত আটাইতকৈ বেছিকৈ ভূক্তভোগী হৈছিল শিশু আৰু মহিলাসকল । নেলী অথবা চাউলখোৱাৰ নৃশংস গণহত্যা আছিলে তাৰেই উদাহৰণ। এই আন্দোলনৰ সংবাদ বুটলিবলৈ যোৱা মহিলা সাংবাদিক সকল আন্দেলনৰ সমৰ্থক বা বিৰোধীৰ পৰা কেনে ব্যৱহাৰৰ সন্মুখীন হৈছিল? মহিলা সাংবাদিকৰ দৃষ্টিভংগীৰে অসম আন্দোলনৰ আলোচনা কৰিবলৈ যাওঁতে নিশ্চিতভাৱে এনে কিছু প্ৰশ্নক সন্মুখত লৈয়ে আগবঢ়া যায়। আশীৰ দশকৰ অসমৰ সমাজ জীৱনত মহিলাৰ বাবে সাংবাদিকতাৰ বৃত্তিটোৱেই আছিল প্ৰত্যাহ্বানমূলক। বহু বিৰোধ আৰু প্ৰত্যাহ্বানৰ মুখামুখি হৈয়ো এই সময়ছোৱাত সাংবাদিকতা কৰি অসমৰ এক জ্বলন্ত সময়ক উন্মোচন কৰা মহিলা সাংবাদিকসকলৰ ভিতৰত নিৰুপমা বৰগোহাঞিঃ আৰু সবিতা গোস্বামী অন্যতম। অসম আন্দোলনৰ সংঘৰ্ষকালীন সময়ছোৱাত নিৰুপমা বৰগোহাঞিঃ ‘সাপ্তাহিক নীলাচল’ কাকতত কৰ্মৰত হৈ আছিল। অসম আন্দোলনৰ উগ্ৰ আৰু হিংসাত্মক ৰূপটোৰ বিৰুদ্ধে মাত মাতি তেওঁ নিজে তেৰবছৰ কৰি থকা চাকৰিটো হেৰুৱাব লগা হৈছিল। আনহাতে অসমে মুখামুখি হোৱা উত্তাল সময়ছোৱাত সবিতা গোস্বামী আছিল বি বি চি ৰ অসমৰ অনাতাঁৰ সাংবাদিক। তদুপৰি ‘দ্য উইক’, ‘ব্লিটজ’ আদি ৰাষ্ট্ৰীয় কাকতৰো তেওঁ আছিল সংবাদদাতা ।

নিৰুপমা বৰগোহাঞিঃ আৰু সবিতা গোস্বামীয়ে তেওঁলোকৰ আত্মজীৱনী ক্ৰমে ‘বিশ্বাস আৰু সংশয়ৰ মাজেদি’ আৰু ‘মন গংগাৰ তীৰত’ এই দুই গ্ৰন্থৰ পাতত অসম আন্দোলনকেন্দ্ৰিক অজস্ৰ অভিজ্ঞতা সাংবাদিকৰ নিৰ্মোহ নিৰপেক্ষ দৃষ্টিভংগীৰে লিপিবদ্ধ কৰি গৈছে। এই দুই আত্মজীৱনী সেয়ে কেৱল এগৰাকী নাৰীৰ সংগ্ৰাম সংঘৰ্ষৰ প্ৰেৰণাদায়ক কাহিনীয়েই নহয়, বৰঞ্চ ই অসমৰ এছোৱা জ্বলন্ত সময়ৰ আলোচনাৰ বাবে নিৰ্ভৰযোগ্য সমলো।

অসম আন্দোলনে সৃষ্টি কৰা উত্তাল অভাৱনীয় সময়ছোৱাত অসমৰ অধিকাংশ ৰাইজ, নাগৰিক সমাজ আৰু মূলসূতিৰ অসমীয়া সংবাদ মাধ্যমৰ স্থিতি আছিল বিদেশী বিতাড়ন আন্দোলনৰ সপক্ষত। বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, কীৰ্ত্তিনাথ হাজৰিকা, ধীৰেন্দ্ৰ নাথ বেজবৰুৱা, দেৱপ্ৰসাদ বৰুৱা, নগেন শইকীয়া, বিশ্বেশ্বৰ হাজৰিকা, অৰূপ কুমাৰ দত্ত আদি বৌদ্ধিক ব্যক্তিত্বই স্মৰণীয় জাতীয়তাবাদী ভূমিকাৰে অসম

আন্দোলনৰ দিক্ নিৰ্ণয় কৰিছিল। সৰ্বাধিক প্ৰচাৰিত অসমীয়া বাতৰি কাকত 'দৈনিক অসমে' অসম আন্দোলনৰ সমৰ্থনত শক্তিশালী স্থিতি লৈছিল। মুনীন্দ্ৰ নাৰায়ন দত্তবৰুৱাৰ সম্পাদনাত প্ৰকাশিত 'সাপ্তাহিক নীলাচলতো' আন্দোলনৰ সপক্ষত বিভিন্ন লেখা প্ৰকাশ পাইছিল। সেই সময়ত নিৰুপমা বৰগোহাঞিঃ আছিল সেই কাকতৰ সহকাৰী সম্পাদক হিচাপে কৰ্মৰত।

১৯৮০ চনত উত্তৰ কামৰূপৰ গোষ্ঠী সংৰ্ঘষ হোৱা অঞ্চলবোৰ পৰিভ্ৰমণ কৰি নিৰুপমা বৰগোহাঞিঃয়ে অনুভৱ কৰিছিল অসমৰ সংবাদ মাধ্যমৰ পক্ষপাতিত্বমূলক আচৰণ। সেই সময়ত অসমৰ বাতৰি কাকতবোৰে যে সত্যানুসন্ধানৰ নীতি আদৰ্শ মানি চলা নাছিল , সেই বিষয়ে নিজৰ আত্মকথা 'বিশ্বাস আৰু সংশয়ৰ মাজেদি' ৰ পাতত নিৰুপমা বৰগোহাঞিঃয়ে লিখিছে এনেদৰে -

"১৯৮০ চনত গোলমাল আৰম্ভ হোৱাৰ পিছত অসমৰ প্ৰায়বোৰ বাতৰি কাকততেই এই খবৰ পঢ়িবলৈ পাইছিলো যে উত্তৰ কামৰূপ অঞ্চলত বাংলাদেশী সকলৰ অবাধ অনুপ্ৰৱেশ ঘটিছে প্ৰৱল গতিত। কেৱল সেয়ে নহয় সিহঁতৰ অত্যাচাৰত খিলঞ্জীয়া অসমীয়া ঘৰ বাৰী এৰি পলাবলগীয়া হৈছে। যেন মানৱ দিনৰ প্ৰত্যাৱৰ্তন। পিছে বাতৰি কাকতৰ সেই সংবাদবোৰ কিমান মিছা বা অতিৰঞ্জিত আছিল, মই সিদিনাই গম পাই গৈছিলোঁ।" (নিৰুপমা বৰগোহাঞিঃ, *বিশ্বাস আৰু সংশয়ৰ মাজেদি*, পৃ ঃ২৮৭)

অসম মহিলা সংঘৰ সভানেত্ৰী হেনা বৰাৰ লগত নলবাৰীলৈ যাওঁতে নিৰুপমা বৰগোহাঞিঃ বাংলাদেশীৰ নামত বহু সংখ্যালঘু লোকৰ ওপৰত চলা অত্যাচাৰ উৎপীড়নৰ চাক্ষুষ অভিজ্ঞতাৰ সন্মুখীন হৈছিল। অসম আন্দোলন যে সাম্প্ৰদায়িক হিংসা আৰু গোষ্ঠী উন্মাদনাৰ চৰম পৰ্য্যায়লৈ গুচি গৈছিল, নিৰুপমা বৰগোহাঞিঃয়ে এই অভিজ্ঞতাৰ মাজেৰে সেই কথাত পতিয়ন গৈছিল। খিলঞ্জীয়া মানুহৰ ওপৰত অনুপ্ৰৱেশকাৰীয়ে আক্ৰমণ চলোৱাৰ খবৰ অসমৰ বাতৰি কাকতে ছপাই থকাৰ বিপৰীতে মূল সত্য ছবিখন আছিল সম্পূৰ্ণৰূপে ওলোটা। সেনাবাহিনীৰ দ্বাৰা অসমীয়া মহিলা ধৰ্ষিতা হেৱাৰ বাতৰি লবলৈ গৈ নলবাৰী চহৰতে বৰগোহাঞিঃয়ে দেখিছিল - কেনেকৈ বিশ্বাস উপাধিৰ পৰা বৈশ্য হৈ পৰা বঙালী মানুহৰ গাঁওবোৰত অসমীয়াসকলে অস্ত্ৰ-শস্ত্ৰ লৈ মৰা কটা কৰিছে। ঘৰবাৰী, সা-সম্পত্তি জ্বলাই লুটপাত কৰিছে। নলবাৰীৰ পিছত মুকালমুৱাৰ আশ্ৰয় শিৱিৰতো লেখিকাই মানৱতাৰ একেই বিপৰ্যয়ৰ মুখামুখি হৈছিল। মুকালমুৱাৰ আশ্ৰয় শিৱিৰত কৰা চৰজমিন অধ্যয়নৰ মাজেৰে লেখিকাই আন্দোলনটোৰ বহু অমানৱীয় নৃশংস দিশৰ লগত পৰিচয় হৈছিল। সেই আশ্ৰয় শিৱিৰৰ অধিবাসীসকল আছিল মুছলমান। তেওঁলোকে লেখিকাক জানিবলৈ দিয়ামতে তেওঁলোকৰ অঞ্চলত অসমীয়া স্কুলৰ বাহিৰে আন মাধ্যমৰ স্কুল নাছিল। অসম আন্দোলনে সৃষ্টি কৰা সাম্প্ৰদায়িক সংঘৰ্ষৰ ভয়ংকৰ ধাৰা বিৱৰণী সাংবাদিক নিৰুপমা বৰগোহাঞিঃয়ে তেওঁৰ আত্মজীৱনীত উল্লেখ কৰিছে এনেদৰে --

" তাৰে ভিতৰত আবেদ আলী বোলা এজন ডেকাই কোৱা কথা আজিও কাণত বাজি থাকে- "মোৰ মা-বাবাক কাটিছে, দাদা-বৌ আৰু তেওঁলোকৰ সৰু ল'ৰাটোকো কাটিছে, এজন ভতিজা এতিয়া হাস্পাতলত।" (নিৰুপমা বৰগোহাঞিঃ, *বিশ্বাস আৰু সংশয়ৰ* মাজেদি, পৃ ঃ ২৯৪)

মুকালমুৱাৰ সেই শিৱিৰটোতে দুষ্কৃতিকাৰীয়ে জুইত জাপি দিয়া পিঠিত দগদগীয়া ঘা লৈ থকা ছমহীয়া কেচুৱা এটাও নিৰুপমা বৰগোহাঞিঃয়ে আৱিষ্কাৰ কৰিছিল। উভতি অহাৰ পথত জুনিয়ৰ ডক্টৰৰ ছাত্ৰ



সন্থাৰ বাছখন লগ পাওঁতে বৰগোহাঞিঃয়ে নলবাৰী আৰু মুকালমুৱাৰ কেম্প দুটাত তেওঁলোকে সাহায্য দিলেনে বুলি প্ৰশ্ন কৰাত সেইটো বাংলাদেশীৰ কেম্প বুলি জুনিয়ৰ ডাক্টৰ সকলৰপৰা চৰম উষ্মাৰে প্ৰত্যুত্তৰ আহিছিল। এই কথাত বৰগোহাঞিঃ ক্ষুদ্ধ হৈছিল আৰু ডাক্তৰৰ মানৱীয় ধৰ্মৰ সম্পৰ্কে জুনিয়ৰ ডাক্টৰৰ দলটোক সোঁৱৰাই দিছিল। পিছত বাংলাদেশীক সহায় কৰিবলৈ অহাৰ অভিযোগত বৰগোহাঞিঃ আৰু তেওঁৰ সহযোগী উঠা গুৱাহাটীগামী বাছখন জুনিয়ৰ ডাক্টৰ ৰ দলটোৱে ঘেৰাও কৰি অশ্লীল বাক্যৰে ককৰ্থনা কৰি থৈ যোৱাৰ কথা বৰগোহাঞিঃয়ে তেওঁৰ আত্মজীৱনীত লিপিবদ্ধ কৰি থৈ গৈছে। অসম আন্দোলনৰ এই তিক্ত অভিজ্ঞতা সুঁৱৰি আত্মজীৱনীত আন্দোলনৰ নেতাসকলক বৰগোহাঞিঃয়ে সমালোচনা কৰিছে এনেদৰে—

" এই যে আপোনালোকৰ প্ৰৰোচনাত কিছুমান মানুহ হত্যাকাৰীত পৰিণত হ'ল (তাৰ বিনিময়ত তেওঁলোকে প্ৰতিশ্ৰুত সোণৰ অসমো নাপালে ) , তাৰ দায়-দায়িত্বই আপোনালোকৰ বিবেকক চিৰজীৱনলৈ কোঙা কৰি নাৰাখিবনে?" ( নিৰুপমা বৰগোহাঞিঃ , *বিশ্বাস আৰু সংশয়ৰ* মাজেদি, পৃষ্ঠা ঃ ২৯৫)

নলবাৰীৰ পৰা উভতি অহাৰ পিছত গুৱাহাটীৰ জজ খেলপথাৰৰ মহিলাৰ এক ৰাজহুৱা সভাত বাংলাদেশীক সাৰ্হায্য দিয়াৰ অভিযোগ আনি নিৰুপমা বৰগোহাঞিঃক ধিক্কাৰ দিয়া হৈছিল। তেওঁৰ ৰাজনৈতিক স্থিতিক 'অসম বিৰোধী' নাম দি সভাৰ সকলো মানুহ জাঙুৰ খাই উঠিছিল। ইফালে উপস্থিত মহিলাসকলে তেওঁৰ ওপৰত লাঞ্চনা বা অত্যাচাৰ চলোৱাৰো আশংকা কৰা হৈছিল। ইয়াৰ পিছতে নীলাচল কাকতৰ নীতিক অৱমাননা কৰাৰ অভিযোগ তুলি 'সাপ্তাহিত নীলাচল'ৰ চাকৰিৰপৰাও তেওঁক বৰ্খাস্ত কৰা হ'ল।

অসম আন্দোলনৰ উগ্ৰ আৰু অগণতান্ত্ৰিক স্বৰূপটোৰ বিৰোধিতা কৰা বাবেই 'বদন' আখ্যা পাই 'বয়কট' হোৱাৰ লগতে বৰগোহাঞিঃয়ে নিজৰ চাকৰিও হেৰুৱাব লগা হ'ল। সেই সময়ত আন্দোলন বিৰোধী সকলক দেশদ্ৰোহী আখ্যাৰে নৃশংস অত্যাচাৰ কৰা হৈছিল। কংগ্ৰেছৰ বাহিৰে কমিউনিষ্ট সকলেই মূলতঃ আন্দোলনটোৰ স্বেচ্চাচাৰী প্ৰকৃতিৰ বিৰোধিতা কৰিছিল বাবে যিসকল অকমিউনিষ্ট গণতান্ত্ৰিক মানুহেও নিজৰ প্ৰতিবাদৰ কণ্ঠ সোচ্চাৰ কৰিছিল, তেওঁলোকক চি পি এম নামেৰে অভিহিত কৰা হৈছিল । বৰগোহাঞিঃয়ে ব্যক্তিগত অভিজ্ঞতাৰ আলমত এই কথা সবিস্তাৰে লিখিছে যে, কেনেকৈ চি পি এম খোৱা নে কাণত পিন্ধা বস্তু নজনা সকলেও আন্দোলন বিৰোধীসকলক চি পি এম বুলিয়ে অভিহিত কৰি লাঞ্চনা কৰিছিল।

অসম আন্দোলনৰ এই অগণতান্ত্ৰিক চৰিত্ৰক সমালোচনা কৰি বৰগোহাঞিঃয়ে তীক্ষ্ণ ভাষাৰে লিখিছে-

"অসম আন্দোলনৰ সময়ত,গণতান্ত্ৰিক বাতাবৰণ প্ৰায় নোহোৱা হৈ গৈছিল। আন্দোলন বিৰোধীসকলৰ মত প্ৰকাশৰ স্বাধীনতা নোহোৱা হৈ গৈছিলেই। এনেকি সেই মতামতৰ মূল্য দিবলগা হৈছিল নানাধৰণৰ শাৰিৰীক আৰু মানসিক অত্যাচাৰেৰে, এনেকি এইদৰে, 'দেশদ্ৰোহী' আখ্যা পোৱা সকলৰ বহুতক নৃশংস অত্যাচাৰ কৰি হত্যাও কৰা হৈছিল" (নিৰুপমা বৰগোহাঞিঃ, *বিশ্বাস আৰু সংশয়ৰ মাজেদি*, পৃঃ ৩০১)

জৰুৰী অৱস্থাৰ সময়ত থকা চিন্তাৰ স্বাধীনতাও এই সময়ত নোহোৱা হৈ গৈছিল বুলি বৰগোহাঞিঃয়ে তাৎপৰ্যপূৰ্ণ মন্তব্য কৰি থৈ গৈছে। এই সময়ৰ চিন্তাশীল প্ৰগতিবাদী বুদ্ধিজীৱী সকল লগ হৈ 'গণ সংস্কৃতি বিকাশ' সমিতি গঠন কৰা আৰু জনজীৱন কাকতখনৰ মাজেৰে যুক্তিসহ আন্দোলনটোৰ অসাৰতা ৰাইজক বুজাই দিয়াৰ বিষয়ে 'বিশ্বাস আৰু সংশয়ৰ মাজেদি' ত তথ্য পোৱা যায়। সাংবাদিক হিচাপে দেখিবলৈ পোৱা

অসম আন্দোলনৰ নৃশংস আৰু অমানৱীয় ৰূপটোৰ বিষয়ে ১৯৮০ চনৰ 'সাপ্তাহিক কলা খাৰ' ৰ প্ৰথম বছৰৰ ষষ্ঠ সংখ্যাত নিৰুপমা বৰগোহাঞিয়ে 'নিজৰ কাণক বিশ্বাস নহয়' শীৰ্ষক এখন আলোড়নকাৰী ৰচনা লিখিছিল।

অসম আন্দোলনৰ পিছত বৰ্তমান তিনিটা দশক পাৰ হৈ গ'ল। পুৰণি প্ৰজন্মটোৰ বাবে এতিয়া কিছু কথা স্মৃতিত থাকিলেও নতুন প্ৰজন্মটোৰ বাবে অসম আন্দোলন এতিয়া এক জনশ্ৰুতি মাথোঁ। অসম আন্দোলন সম্পৰ্কে নিৰুপমা বৰগোহাঞিৰ এতিয়াৰ স্থিতিও একেবাৰে স্পষ্ট আৰু নিৰ্মোহ। শেহতীয়াভাৱে এটা সাক্ষাৎকাৰত বৰ্ষীয়ান লেখিকা আৰু এসময়ৰ সাংবাদিক গৰাকীয়ে অসম আন্দোলন সম্পৰ্কে নিজৰ সাম্প্ৰতিক দৃষ্টিভংগী জনাইছে এনেদৰে—

"অসমত থাকিও যেতিয়া অসমীয়াই নিজৰ অস্তিত্বৰ বাবে ত্ৰস্তমান হয়, সেয়া জাতিৰ বাবে খুবেই দুখৰ কথা। আন্দোলন এটাৰ প্ৰয়োজন ঠিকেই আছিল, কিন্তু অসম আন্দোলনৰ সমগ্ৰ প্ৰক্ৰিয়া এক আসোঁৱাহপূৰ্ণ আছিল। অসমৰ বেয়া দিন আৰম্ভ হৈছিল দুটা ঘটনাত। প্ৰথমটো উগ্ৰ জাতীয়তাবাদী মন লৈ অসম আন্দোলন আৰু দ্বিতীয়তো আলফাৰ উত্থান। অসম আন্দোলনৰ ভেটিৰে সোণৰ অসম নহয়, সোণৰ সংসাৰ গঢ়া হ'ল। (*নীলকণ্ঠী নিৰুপমা*, পৃষ্ঠা ২৯১)

অজিত কুমাৰ ভূঞাৰ সৈতে হোৱা সাক্ষৎকাৰ এটিতো নিৰুপমা বৰগোহাঞিয়ে এই মত দোহাৰিছে যে ১৯৫১ ৰ দৰে এক অসম্ভৱ ভিত্তিবৰ্ষৰ বাবে অসম আন্দোলনৰ তেওঁ বিৰোধিতা কৰিছিল। (*নীলকণ্ঠী নিৰুপমা*, পৃঃ ২৭৯)

অসমৰ ৰাজনৈতিক ইতিহাসত অসম আন্দোলনৰ এক সৰ্বব্যাপী প্ৰভাৱ আছে। আনকি অসমৰ সমাজ ৰাজনীতি আৰু সংস্কৃতিলৈ অহা বহু পৰিবৰ্তন আৰু যোৱা তিনিদশকত জাতীয় জীৱনে মুখামুখি হোৱা বহু দ্বন্দ্বক অসম আন্দোলনৰ প্ৰত্যক্ষ পৰোক্ষ ফলাফল বুলিয়ে কব পাৰি। এনে প্ৰেক্ষাপটত আন্দোলনটোক একেবাৰে সূক্ষ্মভাৱে দেখা আৰু নিৰ্মোহভাৱে বিচাৰ কৰা নিৰুপমা বৰগোহাঞিৰ দৃষ্টিভংগী নিশ্চিতভাৱে অসম আন্দোলনৰ মূল্যায়নৰ প্ৰসংগত গুৰুত্বপূৰ্ণ অনুষংগ ।

সবিতা লহকৰৰ আত্মজীৱনী 'মন গংগাৰ তীৰত' অসমীয়া সাহিত্যত এক বিৰল আৰু অসাধাৰণ আত্মজীৱনী হিচাপে স্বীকৃত। বিশেষকৈ দুটা দিশৰ পৰা এই আত্মজীৱনীৰ সামাজিক গুৰুত্ব মন কৰিব লগীয়া। প্ৰথমটো হ'ল - এখন পুৰুষতান্ত্ৰিক সমাজৰ প্ৰত্যাহ্বান নেওচি এগৰাকী নাৰীয়ে কৰা আৱিষ্কাৰ আৰু আত্মউত্তৰণৰ ই এক প্ৰেৰণাদায়ক কাহিনী। দ্বিতীয়তে এই গ্ৰন্থ অসমৰ সমাজ জীৱনৰ বিশেষভাৱে অসম আন্দোলন আৰু আলফাৰ সংগ্ৰামৰ অগ্নিগৰ্ভা সময়ছোৱাৰ এক জীৱন্ত ধাৰাভাষ্য।

বি বি চিৰ অনাতাঁৰ সাংবাদিক হিচাপে কৰ্মৰত হৈ থকা অৱস্থাত সবিতা গোস্বামীয়ে অসম আন্দোলনৰ বিভিন্ন পৰ্যায় আৰু ঘটনাৱলীক একেবাৰে নিকট দুৰত্বত ৰৈ পৰ্যবেক্ষণ কৰিছিল। অসম আন্দোলনেই তেওঁলৈ সাংবাদিকতাৰ সুযোগ আনি দিছিল বুলি গোস্বামীয়ে তেওঁৰ আত্মকথাত উল্লেখ কৰি থৈও গৈছে। অসম আন্দোলন সম্পৰ্কে সাংবাদিক গোস্বামীৰ দৃষ্টিভঙ্গীৰ বিষয়ে আলোকপাত কৰোঁতে প্ৰথমতেই চকুত পৰে যে তেওঁ আন্দোলনটোৰ মূল কাৰণ অৰ্থনৈতিক বুলি 'ষ্টিটছ' কাকতত সেই সময়তে প্ৰতিবেদন লিখিছিল। তেওঁৰ এই মতৰ বাবে আন্দোলনৰ নেতৃত্বই গোস্বামীক গণ সংগ্ৰাম পৰিষদৰ কাৰ্য্যালয়লৈ মাতি নি জবাবদিহিও কৰিছিল।



অসম আন্দোলনৰ স্বৰূপ বিচাৰ কৰি আন্দোলন পৰৱৰ্তী সময়ত গোস্বামীয়ে লিখিছে - "অসম আন্দোলনৰ প্ৰতি মোৰো সহানুভূতি আৰু সমৰ্থন আছিল। মূলতঃ ইয়াৰ কাৰণ অৰ্থনৈতিক আছিল বুলি মই প্ৰত্যয় গৈছিলো। কিন্তু আৰ্থ সামাজিক গুৰুত্ব হেৰুৱাই ই চতুৰ ৰাজনীতিক উন্নতিৰ সপোন হৈ পৰিছিল। মই আজিও বিশ্বাস কৰো যে অসম আন্দোলনৰ সময়ত যি গণ জাগৰণ হৈছিল, সি সুস্থ, বিচক্ষণ, নিৰপেক্ষ আৰু দূৰদৰ্শী নেতৃত্বৰ হাতত পৰা হলে অসমৰ প্ৰগতিত প্ৰচুৰ অৰিহণা যোগাবলৈ সমৰ্থ হ'লহেঁতেন। কিন্তু তেনে নহ'ল। অসম আন্দোলনে আৱেগিক অসমীয়াক তেনেদৰেই এৰি থৈ গ'ল।"

(সবিতা গোস্বামী, *মন গংগাৰ তীৰত*, পৃষ্ঠা ৮৬)

অসম আন্দোলনৰ প্ৰতি সহমৰ্মিতা থাকিলেও আৰু অসম আন্দোলনে তুলি ধৰা অসমৰ জাতীয় সমস্যাবোৰৰ গুৰুত্ব সঠিকভাৱে অনুধাৱণ কৰিলেও বাতৰি প্ৰস্তুত কৰোতে নিজৰ সহানুভূতি বা সমৰ্থন প্ৰকাশ নাপাবৰ বাবে গোস্বামী সতৰ্ক হৈ ৰৈছিল। অসম আন্দোলনৰ সময়ত অসমৰ সংবাদ মাধ্যমৰ মাজত দেখা পোৱা দুটা বিপৰীতমুখী পন্থা আৰু অসমৰ বাতৰিকাকতৰ পক্ষপাতদুষ্ট ভূমিকাৰ কথাও গোস্বামীৰ আত্মজীৱনীৰ পৰা জানিব পৰা যায়। অসম আন্দোলনক যুক্তিহীনভাৱে সমৰ্থন কৰা দৈনিক অসম কাকতত সম্পাদক কীৰ্তিনাথ হাজৰিকাৰ লগত সেই সময়ত হোৱা গোস্বামীৰ কথোপকথন আৰু কাকতখনৰ স্থিতিক তেওঁ স্বয়ং হাজৰিকাৰ সন্মুখতে কৰা সমালোচনাৰ মাজেৰে এই দিশ উন্মোচিত হৈছে।

অসম আন্দোলনৰ দৰে এক বৃহত্তৰ জনজাগৰণত মহিলাৰ অংশগ্ৰহণ আৰু ভূমিকা এক বিশেষ আলোচনাৰ বিষয়। অসম আন্দোলনৰ বৌদ্ধিক দিগদৰ্শক সকলৰ অন্যতম বসন্ত ডেকাই অসম আন্দোলনত মহিলাৰ অংশগ্ৰহণ সম্পৰ্কে লিখিছে- "কোনো ধৰ্ম বা ভাষা বা গোষ্ঠীৰ পৰিচয় নিদিয়াকৈ অসমৰ নাৰীয়ে আন্দোলনটোত ছাত্ৰ যুৱকৰ সমানে অংশীদাৰ হ'বলৈ সিদ্ধান্ত লৈছিল। মহিলাৰ অংশগ্ৰহণে প্ৰতিবাদ পদ্ধতিৰ ৰেহ-ৰূপ সলনি কৰিছিল। তেওঁলোকে ৰাজপথত এটা জনগোষ্ঠী হিচাপে অৰ্থ আৰোপ কৰিছিল। পুলিচ বাহিনীৰ সন্মুখীন হবলৈ নাৰীসকলে আগশাৰীত স্থান লৈছিল। গোটেই ৰাজ্যখনতে অনেক পৰিয়ালে যি ধৰণে সংগঠকৰ যত্ন লৈছিল সেয়া পাহৰিব নোৱাৰা বিধৰ আছিল। অসমৰ মহিলাই আন্দোলনটোৰ উদ্যম বহুগুণে বঢ়াইছিল। তেওঁলোকৰ অংশগ্ৰহণে ছাত্ৰসন্থাৰ লক্ষ্যক শক্তি যোগাইছিল। আন্দোলনৰ কাৰ্যসূচী ৰূপায়ণত নিয়মানুবৰ্তিতা অটুত থকাটো লক্ষণীয় আছিল। সূৰ্যৰ প্ৰখৰ তাপকো নেওচি মহিলাই পিঠিত কেঁচুৱা বান্ধি সভাথলীত উপস্থিত হৈছিলগৈ। ঘৰৰ কাম-কাজৰ দায়িত্ব গৌণ হৈ পৰিছিল। নিশাৰ পিছৰ নিশা পথ ৰুদ্ধ কৰিবলৈ মহিলা সকলে অকণো দ্বিধাবোধ কৰা নাছিল।"

(বসন্ত ডেকা, *অভিসন্ধি প্ৰতাৰণা অসম আন্দোলন*, পৃ- ১০৬)

অসম আন্দোলনত মহিলাৰ এনে সক্ৰিয় অংশগ্ৰহণৰ বিষয়ে 'টাইমছ্‌ অৱ ইণ্ডিয়াত' কে .এন. মালিকে লিখা প্ৰতিবেদনৰ পৰাও বসন্ত ডেকাই তথ্য দাঙি ধৰিছে। সবিতা গোস্বামীৰ আত্মজীৱনীৰ পাততো এই আন্দোলনত মহিলা সকলৰ অংশগ্ৰহণৰ বিশদ বিৱৰণ পোৱা যায়। আশীৰ প্ৰাৰম্ভতে এদিন ১৪৪ ধাৰা অমান্য কৰি হাজাৰ হাজাৰ মহিলাই দীঘলীপুখুৰীৰ পাৰত কৰা পথ অৱৰোধ, আন্দোলনৰ নেতাক মহিলা সকলে দিয়া ৰক্ষণাবেক্ষণ আৰু প্ৰতিবাদী মহিলাসকলক আতৰাবলৈ আৰক্ষীয়ে বল প্ৰয়োগ কৰোতে আন্দোলনৰ শীৰ্ষ নেতা এজন সন্দিকৈ কলেজৰ হোষ্টেলত গৈ পলাই থকাৰ নাণ্ঠ সত্যও গোস্বামীয়ে

অকপটে লিখিছে। সেই ঘটনাৰ পিছত 'অসম বাণী'ৰ এটা প্ৰবন্ধত "মাতৃস্নেহ নেকি নাজানো, কিন্তু যুক্তি নিবিচৰাকৈ হাজাৰ হাজাৰ মহিলা নিঃস্বাৰ্থভাৱে মুকলি পথাৰলৈ ওলাই অহাৰ বাবেই আন্দোলনৰ কাৰ্যসূচী সফল হোৱা আৰু নেতা সকল আঁচলৰ আঁৰত থাকে" (সবিতা গোস্বামী, *মন গংগাৰ তীৰত*, পৃষ্ঠা ৯৭) বুলিও গোস্বামীয়ে আন্দোলনৰ নেতৃত্বক কঠোৰভাৱে সমালোচনা কৰিছিল, যাৰ বাবে পিছৰ সময়ত আন্দোলনৰ নেতৃত্বই তেওঁক কটূক্তি আৰু ব্যংগ কৰাৰ কথাও গোস্বামীয়ে লিখি থৈ গৈছে।

অসম আন্দোলন প্ৰকৃততে এক অহিংস আৰু গণতান্ত্ৰিক আন্দোলন হৈ আছিলনে? এই প্ৰশ্নৰ উত্তৰ বিচাৰোতে সবিতা গোস্বামীৰ 'মন গংগাৰ তীৰত' এক জীৱন্ত আৰু জ্বলন্ত সাক্ষ্য হৈ ধৰা দিয়ে। অসম আন্দোলনৰ সময়ত কেনেকৈ অসমৰ শৈক্ষিক পৰিবেশ ভাগি গৈছিল, স্কুল কলেজ বন্ধ হৈ গৈছিল, বন্ধ সংস্কৃতিৰ লগত আপোচবিহীন সম্বন্ধ গঢ়ি উঠিছিল— ব্যক্তিগত অভিজ্ঞতাৰ আধাৰত আন্দোলনে লৈ অনা এই পৰিবৰ্তনবোৰো গোস্বামীয়ে দাঙি ধৰিছে। সাংবাদিক হিচাপে গোস্বামী আছিল ধূলা, নেলী, গহপুৰ আদি অঞ্চলত ১৯৮৩ চনত হোৱা ভয়াবহ গোষ্ঠী সংঘৰ্ষৰ প্ৰত্যক্ষদৰ্শী। নেলীৰ ভয়াবহ বিভীষিকা, সংঘৰ্ষৰ মূল কাৰণ, প্ৰশাসনৰ দায়িত্বহীনতা আদি বিবিধ দিশ সাংবাদিক গোস্বামীয়ে পোহৰলৈ আনিছে। ১৯৮৩ ৰ অভিশপ্ত নিৰ্বাচনৰ আগৰ অসমৰ ৰাজনৈতিক পৰিস্থিতি গোস্বামীৰ কলমত লিপিবদ্ধ হৈছে এনেদৰে—"....কোনেও নিশ্চিতভাৱে ক'ব নোৱাৰে কোনে তেওঁলোকৰ (দুয়োপক্ষৰ) ঘৰত অগ্নিসংযোগ কৰিছে বা আক্ৰমণ কৰিছে। দুয়োপক্ষই 'সিহঁতে' কৰা বুলি উল্লেখ কৰে কোন সিহঁত? ক'ৰবাত যদি অসমীয়া বঙালী, ক'ৰবাত বঙালী, হিন্দু-বঙালী মুছলমান, ক'ৰবাত হিন্দু মুছলমান, ক'ৰবাত আন্দোলন সমৰ্থক নিৰ্বাচন বিৰোধী আৰু আন্দোলনবিৰোধী নিৰ্বাচন সমৰ্থকৰ মাজত সংঘৰ্ষ হৈছে।" (সবিতা গোস্বামী, *মন গংগাৰ তীৰত*, পৃষ্ঠা ১২০)।

আন্দোলনটোক কেন্দ্ৰ কৰি চলা এনে হিংসাত্মক ঘটনা, ভাতৃঘাতী সংঘৰ্ষ আৰু অসমৰ বিভিন্ন ঠাইত হোৱা বাঁওপন্থী নিগ্ৰহে অসম আন্দোলনৰ অহিংস আৰু গণতান্ত্ৰিক চৰিত্ৰ নোহোৱা কৰিছিল। একেদৰে অসম আন্দোলনৰ আধাৰতে অসমত বিচ্ছিন্নতাবাদী সংগ্ৰামৰো অৱতাৰণা হৈছিল। আলফাৰ উত্থান আছিল সেই একেই প্ৰেক্ষাপটৰে সৃষ্ট ঘটনা। গোস্বামীয়ে এই প্ৰেক্ষাপটত অৱলোকন কৰোঁতে এয়াও মন কৰিছে যে সেই সময়তে অসমলৈ আৰ.এছ.এছ. নেতাৰ আগমন হৈছিল যদিও অসমৰ জনগোষ্ঠীয় বিচিত্ৰতাৰ বাবে হিন্দুত্ববাদী ৰাজনীতিৰ সম্প্ৰসাৰণ বৰ সহজে সম্ভৱ হৈ উঠা নাছিল। কিন্তু অসম আন্দোলনৰ নেতা আৰু মূল পৰামৰ্শদাতা সকল আছিল বৰ্ণ হিন্দু মূলৰ, সেই বাবেই অসম আন্দোলন বৰ্ণ হিন্দুৰ আন্দোলন বুলি সেই সময়ত এক প্ৰচাৰ চলিছিল— এই কথাও লেখিকাই উল্লেখ কৰিছে। অসম আন্দোলনৰ সময়ত অসমৰ বুদ্ধিজীৱীৰ সামাজিক ভূমিকাক লৈও সবিতা গোস্বামীয়ে সমালোচনা কৰিছে যে— অসমীয়া সমাজৰ অবাঞ্চিত অৱক্ষয় ৰোধ কৰিবৰ বাবেও অসমৰ বুদ্ধিজীৱীয়ে কোনো গঠনমূলক প্ৰচেষ্টা লোৱা নাছিল। অসম আন্দোলনৰ লগত জনজাতীয় সমাজৰ সম্পৰ্কৰ বিষয়েও গোস্বামীৰ আত্মজীৱনীত তথ্য পোৱা যায়। অসম আন্দোলনত জনজাতি সকলৰ নৈতিক সমৰ্থন আছিল। বড়ো আন্দোলনৰ নেতা উপেন ব্ৰহ্মৰ লগত হোৱা কথা বতৰাৰ প্ৰসংগ আনি গোস্বামীয়ে লিখিছে যে, অগপৰ দায়িত্বহীনতা, সংকীৰ্ণ মনৰ ৰাজনীতিৰ বাবেই বড়োসকলে পৰৱৰ্তী সময়ত আন্দোলনৰ পথ ল'বলৈ বাধ্য হৈছিল।



অসম আন্দোলন যে এক ঐতিহাসিক প্ৰয়োজন আছিল আৰু ই তুলি ধৰা ৰাজনৈতিক প্ৰশ্নবোৰৰ গুৰুত্ব আওকাণ কৰিব নোৱাৰি, তাক সবিতা গোস্বামীয়েও স্বীকাৰ কৰিছে; কিন্তু এই আন্দোলনটোৰ মূল জনশক্তিক নেতৃত্বই সঠিক বাট দেখুৱাব নোৱাৰিলে বুলি লেখিকাই মত পোষণ কৰিছে। ১৯৮১ চনতে নতুন দিল্লীত হোৱা এখন আলোচনা সত্ৰত দিয়া সবিতা গোস্বামীৰ মন্তব্যই অসম আন্দোলনৰ ব্যৰ্থতাৰ আঁৰৰ কাৰণবোৰ উদঙাই দেখুৱায়-

"অসমৰ সমস্যাসমূহ নিৰ্ভেজাল সত্য। কিন্তু ইয়াৰ সমাধান ৰাজনৈতিক স্বাৰ্থৰ ঊৰ্দ্ধত হ'ব লাগিব। অসম আন্দোলনৰ নেতাসকলৰো ৰাজনৈতিক ভৱিষ্যত আন্দোলনৰ লগত সন্নিবিষ্ট হৈ আছে। গতিকে সমস্যাৰ 'সমাধান' ৰাইজৰ পক্ষলৈ যাব বুলি ভবাৰ থল নাই। অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ দুৰ্ভাগ্য এয়ে যে আমাৰ দূৰদৰ্শী আৰু বিচক্ষণ নেতা নাই"। (সবিতা গোস্বামী, *মন গংগাৰ তীৰত*, পৃ .১০৬)

অসম আন্দোলনৰ পিছৰ পৰাই অসমে আঞ্চলিকতাবাদ, বিচ্ছিন্নতাবাদ, জাতিসত্তাৰ পৰিচয় আদি নতুন কিছু প্ৰশ্নৰ লগত মুখামুখি হ'ব লগা হ'ল। ইফালে নাগৰিকত্বৰ প্ৰসংগত ১৯৫১ ৰ ভিত্তিবৰ্ষৰ চৰ্তত যি আন্দোলন চলিছিল, সেয়া ১৯৭১ বুলি পৰৱৰ্তী সময়ত নেতৃত্বই অসম চুক্তি স্বাক্ষৰ কৰোতে মানিও ললে। তেন্তে ছবছৰীয়া আন্দোলন এটাৰ, যিটো আন্দোলনে অসমৰ সমাজ জীৱনৰ কাঠামো সলাই পেলালে সেই আন্দোলনটোৰ সঁচাকৈয়ে প্ৰয়োজন আছিলনে? এনে প্ৰশ্নবোৰৰ উত্তৰ সন্ধান পৰ্বত "মন গংগাৰ তীৰত" এক নিৰ্ভৰযোগ্য আৰু সাংবাদিকৰ নিৰপেক্ষতাৰে বিচাৰ কৰা প্ৰামানিক সমল।

অসম আন্দোলনে অসমৰ জাতীয় সমস্যাসমূহক লৈ এক বিশাল গণজাগৰণৰ সূচনা কৰাত আৰু অসমৰ প্ৰায় সমূহ জনসমষ্টিক একত্ৰিত কৰাত সফল হৈছিল। কিন্তু যি অনুপ্ৰৱেশ সমস্যাৰ স্থায়ী সমাধানৰ বাবে এই আন্দোলন হৈছিল, সেই সমাধান এতিয়াও সম্ভৱ হৈ উঠা নাই। ১৯৮৫ চনৰ অসম চুক্তিৰ বহু চৰ্ত আৰু দফাৰ কাৰ্যকৰণ নোহোৱা আৰু তাৰ ৰূপায়ণত থকা কাৰিকৰী দুৰ্বলতাই এই আন্দোলনটোকেই অৰ্থহীন কৰি তোলাৰ উপক্ৰম ঘটালে। তাৰ বিপৰীতে এই আন্দোলনৰ পৰৱৰ্তী সময়ত, কোন 'অসমীয়া'- সেই প্ৰশ্নক লৈ বিতৰ্ক আৰু সংশয় বাঢ়ি আহিল। জনজাতীয় ৰাইজৰ লগত অজনজাতীয় সমাজৰ এক মানসিক দূৰত্ব আৰম্ভ হ'ল। জাতিটোৰ ধৰ্ম নিৰপেক্ষ চৰিত্ৰত আঘাত লাগিল। অসমত গোষ্ঠী সংঘৰ্ষ আৰু সাম্প্ৰদায়িক হিংসাৰ এক জঘন্য ইতিহাস অসম আন্দোলনে সৃষ্টি কৰিলে।

তথাপিও ৰাষ্ট্ৰৰ কৰ্তৃত্ববাদী চৰিত্ৰৰ সন্মুখত এক শক্তিশালী প্ৰতিৰোধ থিয় কৰোৱাৰ আৰু জাতীয় প্ৰশ্নবোৰক ৰাজনৈতিক মঞ্চলৈ লৈ যোৱাৰ ক্ষেত্ৰত নিশ্চিতভাৱে অসম আন্দোলনে কৃতিত্ব লব পাৰে। আমাৰ আলোচনাৰ মাজলৈ অহা দুয়োখন আত্মকথাই আন্দোলনটোৰ সমৰ্থন আৰু বিৰোধৰ লগত জড়িত বহু যুক্তি উন্মোচন কৰি দেখুৱায়। অৱশ্যে নিৰুপমা বৰগোহাঞিয়ে আৰম্ভণিৰপৰাই আন্দোলনটোৰ অগণতান্ত্ৰিক চৰিত্ৰৰ বিপৰীত স্থিতিত থিয় হোৱাৰ বিপৰীতে সবিতা গোস্বামীৰ স্থিতি বহু পৰিমাণে সাংবাদিকসুলভ আৰু সাংবাদিকৰ দৃষ্টিভংগীৰে পৰিচালিত। স্কুলীয়া পৰ্যায়তে বাঁও আদৰ্শৰ গ্ৰন্থৰ পঢ়া-শুনা আৰু বন্ধুৰ সান্নিধ্যই এটা পোন ৰাজনৈতিক চৰিত্ৰ নিৰুপমা বৰগোহাঞিক ইতিমধ্যেই প্ৰদান কৰিছিল। সেইবাবে আন্দোলনটোৰ হিংসাত্মক চৰিত্ৰৰ বিৰুদ্ধে বৰগোহাঞিৰ সৰৱতা লক্ষণীয়; কিন্তু সবিতা গোস্বামীয়ে আন্দোলটোৰ বিপথগামিতা আৰু ব্যৰ্থতাৰ বাবে নেতা সকলক তীব্ৰ সমালোচনা কৰিলেও অসম আন্দোলনে তুলি ধৰা ৰাজনৈতিক দাবী

বোৰৰ গুৰুত্ব আৰু প্ৰাসংগিকতাক বহু ঠাইত দোহাৰিছে। ইয়াৰ উ পৰি গোস্বামীৰ স্বামী আৰু পৰিয়াল আৰম্ভণিৰ পৰাই আন্দোলনৰ সমৰ্থক আছিল; কিন্তু দুয়োখন আত্মজীৱনীৰ মাজত প্ৰকাশিত ঐক্যবোধ হ'ল যে দুয়োগৰাকী লেখিকাই অসম আন্দোলনৰ অগণতান্ত্ৰিক আৰু ফেচিবাদী চৰিত্ৰটোক বিৰোধিতা কৰিছে।

দুয়োখন আত্মজীৱনীয়ে অসম আন্দোলনে সৃষ্টি কৰা নৈৰাজ্য আৰু ৰাজনৈতিক ভৱিষ্যতহীনতাত দৃষ্টিপাত কৰাত সফল হৈছে। দুয়োখন আত্মজীৱনীয়ে অসমৰ সংবাদ জগত আৰু আন্দোলনৰ সম্পৰ্ক, আন্দোলনৰ নেতাৰ ভণ্ডামি, ৰাইজৰ আৱেগ আৰু আশীৰ অগ্নিগৰ্ভ সময়ৰ বহু চাঞ্চল্যকৰ ঘটনা উপঘটনাক পাঠকৰ সন্মুখত একেবাৰে অকপটে তুলি ধৰিব পাৰিছে।

'বিশ্বাস আৰু সংশয়ৰ মাজেদি'ত মাত্ৰ ৫৭ ৰ পৰা ৬২ খণ্ডলৈকে অসম আন্দোলন সম্পৰ্কীয় লেখিকাৰ অভিজ্ঞতা বিবৃত হোৱাৰ বিপৰীতে 'মন গংগাৰ তীৰত' গ্ৰন্থত এক বিস্তৃত অংশ অসম আন্দোলন আৰু আলফাৰ সংগ্ৰামে সামৰি আছে। যিহেতু আজীৱন সাংবাদিক হিচাপে কৰ্মৰত সবিতা গোস্বামীয়ে উত্তৰ পূৰ্বাঞ্চলৰ ৰাজনৈতিক অস্থিৰতাক একেবাৰে সূক্ষ্ম পৰ্যবেক্ষণ কৰিবলৈ পাইছিল, সেয়ে তেওঁৰ ব্যক্তিগত জীৱনৰ নানা উপলব্ধি আৰু ৰাজনৈতিক সামাজিক অভিজ্ঞতাবোৰ একেবাৰে অবিচ্ছিন্ন হৈ আত্মকথনত ঠাই পাইছে।

**প্ৰসঙ্গপুথি**


গোস্বামী , সবিতা । *মন গংগাৰ তীৰত* । গুৱাহাটী ঃ অসম বুক হাউচ, ২০১৭।

বৰগোহাঞি, নিৰুপমা। *বিশ্বাস আৰু সংশয়ৰ মাজেদি* । গুৱাহাটীঃ আখৰ প্ৰকাশ, ২০১৩।

গোহাঁই, হীৰেন। *তেজৰ আখৰে লেখা*। গুৱাহাটী ঃ লষ্টুডেন্ট ষ্ট'ৰছ, ২০১৭।

ডেকা, বসন্ত । *অভিসন্ধি প্ৰতাৰণা অসম আন্দোলন* । গুৱাহাটীঃ অৰ্কিড প্ৰকাশন, ২০১৭।

বৰুৱা, নবীন (সম্পা)। *নীলকণ্ঠী নিৰুপমা* । গুৱাহাটী ঃ পূৰ্বাঞ্চল প্ৰকাশন, ২০১৮।

বৰকটকী , অৰিন্দম (সম্পা)। *নিবেদন স্বজন- চিন্তা* । গুৱাহাটী ঃ ক্ৰান্তিকাল প্ৰকাশন, ২০১৬।